**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং - ৩২৮**

**উত্তৰ দানৰ তাৰিখ-১৪/৭/২০২৬**

**বিষয় : অত্যাধুনিক হোটেল**

**ডাঃ আছিফ মঃ নাজাৰ, বিধায়ক**

**::প্ৰশ্ন::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

মায়ং আৰু পবিতৰালৈ অহা পৰ্য্যটক সকলৰ সুবিধাৰ্থে পৰ্য্যটন বিভাগে উক্ত অঞ্চলত এখন অত্যাধুনিক হোটেল স্থাপন কৰিব নেকি?

**:: উত্তৰ ::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে উত্তৰ দিব:-**

মায়ং আৰু পবিতৰালৈ অহা পৰ্যটকসকলৰ উচ্চমানৰ আতিথ্য আৰু আধুনিক সুবিধা উপলব্ধৰ দিশত অসম চৰকাৰৰ পৰ্যটন বিভাগে ইতিমধ্যে উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। মায়ং আৰু পবিতৰা পৰ্যটন ক্ষেত্ৰলৈ অহা পৰ্যটকসকলৰ সুবিধাৰ্থে ভাৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ৰ দ্বাৰা আৱণ্টিত পুঁজিৰে মায়ঙত উন্নত মানৰ আৱাসিক ব্যৱস্থাৰে অত্যাধুনিক পৰ্যটক সুবিধা কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু এই সুবিধাসমূহ সফলভাৱে পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হৈছে। ইয়াৰোপৰি পবিতৰা অভয়াৰণ্যৰ সমীপত অসম চৰকাৰৰ আৰ্থিক সাহাৰ্যৰে উচ্চমানৰ থকা-খোৱাৰ সকলো প্ৰয়োজনীয় সুবিধা উপলব্ধ প্ৰশান্তি পৰ্যটক নিৱাস স্থাপন কৰা হৈছে আৰু বৰ্তমান ই সফলভাৱে পৰিচালিত হৈ আছে।

তাৰকাযুক্ত হোটেল স্থাপনৰ বাবে যদি কোনোবা প্ৰতিষ্ঠান আগবাঢ়ি আহে, পৰ্য্যটন বিভাগে চৰকাৰী নীতিৰ আধাৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়াব।

--------------XXXX-------------

The reply has been submitted in the NeVA portal of Assam Legislative Assembly